হিচাপে হাতত ৰাখে। উৎপাদিত সামগ্ৰী বা প্ৰকৃত আয় (Y) আৰু K স্থিৰে থকা অৱস্থাত দৰস্তৰ দুগুণ বৃদ্ধি ($P_0$ ৰ পৰা $P_1$ লৈ) হ'লে, সামান্য আয় (nominal income) দুগুণ বৃদ্ধি ($P_0\bar{Y}$ ৰ পৰা $P_1\bar{Y}$ লৈ) হ'ব আৰু ইয়াৰ ফলত মুদ্ৰাৰ চাহিদাও দুগুণ বৃদ্ধি ($M_0$ ৰ পৰা $M_1$ লৈ) হ'ব। কাৰণ, একেখিনি লেনদেনৰ কাৰণে দুগুণ বৰ্দ্ধিত দৰস্তৰত লেনদেনৰ বাবে দুগুণ মুদ্ৰাৰ প্ৰয়োজন হ'ব।




Fig. 3.E

মুঠৰ ওপৰত সংস্থাপিত মুদ্ৰা চাহিদা তত্ত্বৰ সাৰাংশ সমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।

(i) মুদ্ৰা কেৱল বিনিময়ৰ এক মাধ্যম।

(ii) সামান্য পৰিমাণৰ আয়ত হাতত ৰাহি মুদ্ৰা ৰখাৰ ইচ্ছা ইয়াৰ নুন্যতম স্তৰত স্থিৰে থাকে বুলি ধৰা হয়।

(iii) জনসাধাৰণে আয়ৰ সামান্য সুদ বিহীন নগদ স্থিৰ জমা, লেনদেন আৰু সাৱধানতাৰ অভিপ্ৰায়ে ৰাখে।

(iv) লেনদেনৰ কাৰণে হাতত ৰখা নুন্যতম প্ৰয়োজনীয়তা ওপৰিঞ্চি জমা কাৰ্য্য অবিবেচক (irrational) কাৰ্য হিচাপে গণ্য কৰা হয়, কাৰণ মুদ্ৰাৰ নিজা কোনো মূল্য নাই।

(v) মুদ্ৰাৰ চাহিদা পৰিমাণ প্ৰত্যক্ষভাৱে দৰস্তৰৰ সৈতে সম্পৰ্কিত।

## 2. কেইনছ্‌ৰ মুদ্ৰা চাহিদা তত্ত্ব (Keynes' theory of demand for money) ঃ

কেইনছে তেওঁৰ মুদ্ৰাৰ চাহিদা সম্পৰ্কীয় তত্ত্ব তেওঁৰ ১৯৩৬ চনত প্ৰকাশিত বিখ্যাত গ্ৰন্থ "The general theory of employment, interest and meoney" ত উল্লেখ কৰিছে। কেইনছ্‌ৰ মতে, মূদ্ৰাৰ চাহিদা সৃষ্টি হয় মুদ্ৰাৰ তাৰল্য প্ৰীতি (Liquidity preference) ৰ জৰিয়তে। তাৰল্য প্ৰীতিৰ অৰ্থ হ'ল সম্পদক নগদ টকালৈ ৰূপান্তৰ প্ৰক্ৰিয়া। তাৰল্য সম্পদ অন্যান্য সম্পদৰ তুলনাত অধিক পছন্দৰ। গতিকে কেইনছ্‌ৰ মতে মুদ্ৰা চাহিদাৰ অৰ্থ হ'ল মুদ্ৰাক নগদ ৰূপত ৰখাৰ মানুহৰ ইচ্ছা বা আসক্তি।

কেইনছে মুদ্ৰাৰ চাহিদা বা তাৰল্য প্ৰীতিৰ সম্পৰ্কে তিনিটা অভিপ্ৰায় উল্লেখ কৰিছে। সেই অনুসৰি অভিপ্ৰায় কেইটা হ'ল—

(i) লেনদেনৰ অভিপ্ৰায় (transaction motive)

(ii) সাৱধানতাৰ অভিপ্ৰায় (Precautionary motive)

(iii) ব্যৱসায়িক লাভজনিত অভিপ্ৰায় (Speculative motive)

কেইনছ্‌ৰ মতে, সৰ্ব্বমুঠ মুদ্ৰাৰ চাহিদাৰ অৰ্থ হ'ল সৰ্ব্বমুঠ নগদ মুদ্ৰাৰ পৰিমাণ আৰু সৰ্ব্বমুঠ নগদ মুদ্ৰাক দুটা ভাগত বিভক্ত কৰা হৈছে। ইয়াৰে এটা হ'ল, সক্ৰিয় নগদ জমা (active balance) য'ত অন্তৰ্ভূক্ত কৰা হৈছে মুদ্ৰাৰ

লেনেদেনৰ চাহিদা আৰু সাৱধানতাৰ চাহিদা আৰু নিষ্ক্ৰিয় জমা (idle balance) বা ব্যৱসায়িক লাভজনিত কাৰণত ৰখা মুদ্ৰাৰ চাহিদা।

(i) **লেনদেনৰ অভিপ্ৰায়** (Transaction motive)

মুদ্ৰা বিনিময়ৰ মাধ্যম হিচাপে দৈনন্দিন লেনদেনৰ কাৰণে প্ৰয়োজন হয়। ব্যৱসায়িক ক্ষেত্ৰত আয় আৰু ব্যয়ৰ মাজত সম্পূৰ্ণ সামজঞ্জ্য নাথাকে। ব্যক্তিৰ আয় আহৰণ আৰু ব্যয় পৰিচালনাৰ মাজত সময়ৰ মিল নাথাকে। সাধাৰণতে আয় আহৰণ কৰা হয় বিচ্ছিন্ন (discrete) সময় বিৰতিত আৰু ব্যয় পৰিচালিত হয় একাদিক্ৰমে। গতিকে, এনে পৰিপেক্ষিতত লেনদেন কাৰ্য্য সুচাৰুভাৱে পৰিচালনাৰ বাবে কিছু পৰিমাণৰ মুদ্ৰা প্ৰয়োজন হয়। গতিকে, লেনদেনৰ অভিপ্ৰায় পূৰণৰ অৰ্থে সময় ভিত্তিক মুদ্ৰাৰ আহৰণ আৰু খৰচৰ ব্যৱধান পূৰণৰ অৰ্থে মুদ্ৰাৰ চাহিদা কৰা হয়। লেনদেনৰ অভিপ্ৰায়ৰ উদ্দেশ্যে কৰা মুদ্ৰাৰ চাহিদাই সময় ভিত্তিক আয়-ব্যয়ৰ ব্যৱধান পূৰণক বুজায়।

কেইনছে মুদ্ৰাৰ লেনদেনৰ চাহিদা আলোচনা কৰোতে আয় অভিপ্ৰায় (income motive) আৰু ব্যৱসায় অভিপ্ৰায় (business motive) দুয়োটাকে উল্লেখ কৰিছে। আয় অভিপ্ৰায় গৃহস্থী বা পৰিয়ালৰ লেনদেনৰ সৈতে সম্পৰ্কিত। পৰিয়ালে তেওঁলোকৰ দৈনন্দিন লেনদেনৰ ক্ষেত্ৰত আয় আৰু ব্যয়ৰ ব্যৱধান দূৰ কৰা কাৰণে নিজৰ হাতত মুদ্ৰা ৰখাৰ প্ৰয়োজন হয়। আনহাতে ব্যৱসায় অভিপ্ৰায়ে ব্যৱসায়ী সকলৰ ব্যৱসায়িক কাৰণত প্ৰয়োজন হোৱা লেনদেনৰ অভিপ্ৰায়ক বুজায়। ব্যৱসায়ী সকলক ব্যৱসায়িক ব্যয় যেনে, মজুৰি প্ৰদান, দৰমহা পৰিশোধ, কেঁচামাল ক্ৰয় আদিৰ কাৰণে নগদ জমাৰ প্ৰয়োজন হয়।

(ii) **সাৱধানাৰ অভিপ্ৰায়** (Precautionary motive) ঃ

লেনদেন অভিপ্ৰায়ৰ বাদেও ব্যক্তিয়ে কিছুমান জৰুৰীকালীন আৰু অনাকাঙ্খিত সমস্যা যেনে— বেমাৰ-আজাৰ, দুৰ্ঘটনা, নিয়োগহীনতা আদি সমস্যা সমাধানৰ কাৰণে কিছু নগদ মুদ্ৰা ৰাখে। পৰিয়ালৰ ক্ষেত্ৰত অনাকাঙ্খিত অৰ্থনৈতিক পৰিস্থিতিয়ে তেওঁলোকৰ সাৱধানতা অভিপ্ৰায়ৰ সিদ্ধান্তৰ ওপৰত প্ৰভাৱ পেলায়। আনহাতে ব্যৱসায়ী সকলৰ ক্ষেত্ৰত ভৱিষ্যতৰ ব্যৱসায় প্ৰত্যাশা, সমৃদ্ধি আৰু সংকোচনে মুদ্ৰাৰ সাৱধানতা অভিপ্ৰায়ৰ ওপৰত প্ৰভাৱ পেলায়। গতিকে সাৱধানতা অভিপ্ৰায়ৰ উদ্দেশ্যে কৰা মুদ্ৰাৰ চাহিদা নিৰ্ভৰ কৰে ভৱিষ্যতৰ অনিশ্চয়তাৰ ওপৰত।

কেইনছৰ মতে মুদ্ৰাৰ সাৱধানতাৰ চাহিদা (Lp) লেনদেন চাহিদাৰ দৰেই মুদ্ৰা আয় (Y) ৰ এক স্থিৰ (Kp) কাৰ্য্য আৰু সুদৰ হাৰ পৰিবৰ্তনৰ প্ৰতি অস্থিতিস্থাপক। অৰ্থাৎ,

$$Lp = Kp\,(Y)$$

কেইনছে লেনদেন আৰু সাৱধানতাৰ উদ্দেশ্যে কৰা মুদ্ৰাৰ চাহিদাক একেলগ কৰিছে, যিহেতু দুয়োটাই সাধাৰণ ভাৱে স্থিৰে থাকে। তাৰোপৰি দুয়োটাই নিৰ্ভৰ কৰে ব্যক্তিৰ আয়ৰ ওপৰত আৰু উভয়েই সুদ অস্থিতিস্থাপক। লেনদেন আৰু সাৱধানতাৰ উদ্দেশ্যে কৰা মুদ্ৰাৰ নগদ জমা সমষ্টিক কেইনছে সক্ৰিয় জমা (Active balance) হিচাপে উল্লেখ কৰিছে। এনেদৰে নগদ সক্ৰিয় জমাৰ চাহিদা ($L_1 = Lt+Lp$) আয়ৰ এক স্থিৰ ($K=Kt+Kp$) কাৰ্য্য আৰু প্ৰতিকী হিচাপে প্ৰকাশ কৰা হয় এনে দৰে,

$$L_1 = Lt + Lp = Kt\,(Y) + Kp\,(Y) = K(Y)$$

ব্যক্তি আৰু ব্যৱসায়িক প্ৰতিষ্ঠান ভেদে প্ৰয়োজনীয় নগদ জমাৰ পৰিমাণ নিৰ্ভৰ কৰে আয়ৰ তীব্ৰতা, ঋণ ব্যৱস্থাপনা, মুদ্ৰালৈ সহজে ৰূপান্তৰ কৰিব পৰা সম্পদ, ব্যক্তিৰ নিৰাপত্তাহীনতাৰ মাত্ৰা আদি বিষয়বোৰৰ ওপৰত। অৱশ্যে এই ক্ষেত্ৰত সামগ্ৰিকভাৱে K স্থিৰে থাকে বুলি ধৰি লোৱা হয়। অন্য কথাত হ্ৰস্বকালত নিৰ্দ্ধাৰক K ৰ পৰিবৰ্তন নহয়।





Fig. 3.F

ওপৰৰ চিত্ৰত মুদ্ৰাৰ সক্ৰিয় চাহিদা জমা ($L_1$ = Lt + Lp) ক মুদ্ৰা আয়ৰ স্থায়ী (K=Kt + Kp) সম্পৰ্কক দেখুৱা হৈছে। ইয়াত মুদ্ৰাগত আয় আৰু নগদ সক্ৰিয় জমাৰ মাজত এক আনুপাতিক আৰু ধনাত্মক সম্পৰ্ক দেখুৱা হৈছে। চিত্ৰত Lt ৰেখাই মুদ্ৰাৰ লেনদেনৰ চাহিদা আৰু Lp ৰেখাই মুদ্ৰাৰ সাৱধানতাৰ চাহিদা প্ৰতিনিধিত্ব কৰাৰ লগতে $L_1$ = Lt + Lp ৰেখাই Lt আৰু Lp ৰেখাৰ উলম্ব যোগফলৰ লগতে সক্ৰিয় নগদ জমাক প্ৰতিনিধিত্ব কৰিছে। সেই অনুসৰি OY' আয় স্তৰত মুদ্ৰাৰ সক্ৰিয় নগদ জমাৰ চাহিদা হ'ব, Y' $L'_1$ = (Y'L't + Y'L'P)। যেতিয়া আয় স্তৰ OY'' লৈ বৃদ্ধি হ'ব তেনে ক্ষেত্ৰত নগদ সক্ৰিয়া জমাৰ চাহিদা পূৰ্বৰ অৱস্থাৰ পৰা Y'' L''= (Y'' L'' t + Y'' L'' P) লৈ বৃদ্ধি হ'ব।

ii) **নিস্ক্ৰিয় নগদ জমা বা ব্যৱসায়িক লাভজনিত মুদ্ৰাৰ চাহিদা** (Idle cash balance or speculative demand for money) ঃ

মুদ্ৰাৰ নিস্ক্ৰিয় নগদ জমাৰ চাহিদা ব্যৱসায়িক লাভজনিত অভিপ্ৰায়ৰ সৈতে জড়িত। ব্যৱসায়িক লাভজনিত কাৰণে সৃষ্টি হোৱা মুদ্ৰাৰ চাহিদা কেইনছ্‌ৰ এক উল্লেখযোগ্য অৱদান। সংস্থাপিত অৰ্থনীতিবিদ সকলৰ মতে ব্যক্তিয়ে কেৱল লেনদেন আৰু সাৱধানতাৰ উদ্দেশ্যে নগদ মুদ্ৰাৰ চাহিদা কৰে।